উত্তৰ:— ভাষাৰ শৃংখলাবদ্ধ অধ্যয়নৰ পদ্ধতিয়েই ভাষাবিজ্ঞানৰ উদ্দেশ্য। ভাষাবিজ্ঞানৰ শাখাসমূহক প্ৰধানকৈ তিনিটা ভাগত বিভক্ত কৰা হৈছে —

① বৰ্ণনাত্মক ভাষাবিজ্ঞান (Descriptive Linguistics)
② ঐতিহাসিক ভাষাবিজ্ঞান (Historical Linguistics)
③ তুলনাত্মক ভাষাবিজ্ঞান (Comparative Linguistics)

ইয়াৰ উপৰিও ভাষা-বিজ্ঞানৰ ~~আন ৫ বিধ~~ আৰু কেইটামান ~~শাখা~~ পোৱা যায় —

ক্ষেত্ৰ

① সমাজ ভাষাবিজ্ঞান (Socio-linguistics)

পায়।

② গঠনমূলক বা বৈশিষ্ট্যমূলক ভাষাবিজ্ঞান (Constructive linguistics)

উপৰত

~~লিখি~~

③ মনস্তত্ত্ব ভাষাবিজ্ঞান (Psycho-linguistics)
④ প্ৰয়োগ বা প্ৰায়োগিক ভাষাতত্ত্ব (Applied linguistic
⑤ ভূ-ভাষাবিজ্ঞান (Geographical linguistics)

উক্ত ভাষাবিজ্ঞানৰ শাখাসমূহৰ ~~৳~~ বিষয়ে চমু আলোচনা দাঙি ধৰা হ'ল —

বৰ্ণনাত্মক ভাষাবিজ্ঞান = কোনো ভাষাৰ কোনো এক বিশেষ সময়ৰ শৃংখলাবদ্ধ অধ্যয়নক বৰ্ণনাত্মক ভাষাবিজ্ঞান বুলি কোৱা হয়। ~~ভাষা এটি স্থান প্ৰধানৰ সম্বন্ধে দিয়াই যেন ইয়াৰ মুখ্য লক্ষ্য~~। ইয়াত ভাষাটোৰ আগৰ অংশ বা

Scanned by TapScanner

...ৰ দিক-নিৰ্ণয় আদিৰ বিষয়ে কোনো আলোচনা কৰা নহয়; বৰ্ণনামূলক ভাষাবিজ্ঞানীৰ ভাষা এটাৰ বিকাশটো দেখুৱা নাইবা ভাষাটোৰ আন ভাষাৰে সৈতে তুলনা কৰাও উদ্দেশ্য নহয়। কেৱল এটা ভাষাৰ গঠন প্ৰণালীটো দেখুৱাটোহে ই বৰ্ণনামূলক ভাষাবিজ্ঞানীৰ উদ্দেশ্য।

বৰ্ণনামূলক ~~ভাষাতত্ত্বৰ~~ ভাষাবিজ্ঞানৰ ক্ষেত্ৰত কথিত ভাষাৰ ~~লিখিত~~ আদিৰ গুৰুত্ব আছে। ~~লিখিত~~ চলিত ভাষাৰ এটোৰ বিশেষ স্তৰৰ ধ্বনি, ৰূপ, শব্দ, বাক্য আদিৰ সকলো দিশৰ প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত অধ্যয়নেই বৰ্ণনামূলক ভাষাবিজ্ঞানৰ মূল ভেটি। ইয়াৰ উপৰি ইয়াত উপভাষাৰো অধ্যয়ন কৰা হয়। এটোৰ ভাষাৰ বিশেষ স্তৰৰ ভাষা অধ্যয়নত বৰ্ণনামূলক ভাষাবিজ্ঞানে গুৰুত্ব আৰোপ কৰে কাৰণ ই এটোৰ ~~সত্~~ ভাষাৰ গভীৰতাৰ দাবী।

উপভাষাৰ এনে এটোৰ ভাষাৰ বৈচিত্ৰ্য ৰূপ পাব পাৰি। কাৰণ এটোৰ মান্যভাষাৰ অন্তৰালত কেইবাটাও উপভাষা থাকিব পাৰে। কথিত ভাষা আৰু লিখিত ভাষাৰ মাজত কিছু বৈসাদৃশ্য আছে। কথিত ভাষা অধ্যয়ন কৰোঁতে ভাষাবিজ্ঞানীয়ে পাঠৰ পৰিবৰ্তে স্থানীয় লোকৰ কথিত ৰূপৰ পৰা ভাষাৰ সঁচা পৰিস্থিতি উদ্ধাৰ কৰিছে লিখিত ভাষাৰ শৃংখলাবদ্ধ ৰূপটো পাব পাৰি। লিখিত ভাষাৰ ক্ষেত্ৰত কিন্তু সঁচা পাইছে ভাষা অধ্যয়নৰ আধাৰস্বৰূপ।

বৰ্ণনামূলক ভাষাবিজ্ঞানত অনুমান বা কল্পনাৰ অৰ্থ...

বৰ্ণনাত্মক ভাষাবিজ্ঞান বুলি আৰু কিছুমানে গঠনমূলক ভাষাবিজ্ঞান বুলি কয়।

**ঐতিহাসিক ভাষাবিজ্ঞান:-** ভাষাবিজ্ঞানৰ বিভিন্ন শাখাৰ ভিতৰত ঐতিহাসিক ভাষাবিজ্ঞানৰ ভূমিকা গুৰুত্বপূৰ্ণ। এটা ভাষাৰ ধ্বনি, ৰূপ, শব্দ আদিৰ পৰিৱৰ্তন হয় বিভিন্ন সময় [illegible]। ভাষাৰ বৰ্তমান পৰিস্থিতিৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ পূৰ্বৰূপবোৰ পূৰ্বৰূপ অধ্যয়ন কৰি ভাষাৰ পৰিৱৰ্তন আৰু বিকাশৰ ধাৰাটো দেখুওৱা ঐতিহাসিক ভাষাবিজ্ঞানৰ মূল উদ্দেশ্য। ভাষাৰ পৰিৱৰ্তনৰ ধাৰাটো অধ্যয়ন কৰোঁতে প্ৰয়োজন হয় বিভিন্ন সময়ৰ পাঠৰ (Text)। পৃথিৱীৰ সকলো ভাষাৰে এটা প্ৰাচীন ৰূপ থাকে আৰু সেই প্ৰাচীন ৰূপবোৰ অতিক্ৰম কৰিহে আধুনিক স্তৰ পায়। প্ৰত্যেক ভাষাৰ সাহিত্যিক নিদৰ্শনৰাজিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰাচীন, মধ্য আৰু আধুনিক এই তিনিটা স্তৰৰ বিশেষ গুৰুত্ব দি লৈ ভাষাৰ অধ্যয়ন প্ৰণালীবদ্ধভাৱে কৰাই ঐতিহাসিক ভাষাবিজ্ঞানৰ মুখ্য কাম। প্ৰকৃতাৰ্থত ঐতিহাসিক ভাষা বিজ্ঞানে ভাষাৰ প্ৰাচীন যুগৰে পৰা বৰ্তমানলৈকে উদ্ভৱ হোৱা পৰিৱৰ্তনসমূহ পুংখানুপুংখভাৱে দাঙি ধৰে। ঐতিহাসিক ভাষাবিজ্ঞানৰ মূল ভিত্তি হ'ল লিখিত ভাষা। ইয়াত ধ্বনিতত্ত্ব, ৰূপতত্ত্ব; বাক্যবিন্যাস আৰু অৰ্থতত্ত্বৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। তাম্ৰলিপি, শিলালিপি আদিৰ পৰা শব্দ সমূহৰ সংগ্ৰহ কৰি ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, আদিৰ বাক্য বিন্যাস আদিৰ বিষয়ে

...স্থৰ কৰে। প্ৰকৃততে ঐতিহাসিক ভাষাবিজ্ঞানে পূৰ্ণ ভাষাবিজ্ঞানৰ দাবী কৰিব নোৱাৰে কাৰণ ইয়াত অনুমান বা কল্পনাৰ আধাৰতহে ভাষাৰ আলোচনা কৰে।

ড° সুনীতি কুমাৰ চেটাৰ্জীৰ 'Old Dictionary of Bengali Language' (ODBL), ড° বাণীকান্ত কাকতিৰ 'Assamese: Its Formation and Development' — ঐতিহাসিক ভাষাৰ ভাষাবিজ্ঞান সমূহত কাৰকৰ।

তুলনাত্মক ভাষাবিজ্ঞান :— সমগোত্ৰীয় দুটা বা ততোধিক ভাষাৰ গঠন পদ্ধতিৰ আলোচনা কৰি সেই ভাষাৰ মাজত থকা সাদৃশ্য বা বৈসাদৃশ্য নিৰ্ণয় কৰা হয় তাকে তুলনাত্মক ভাষা বিজ্ঞান বোলা হয়। এৰ ঐতিহাসিক ভাষাবিজ্ঞানৰ সহায়তহে তুলনাত্মক ভাষাবিজ্ঞান আগবাঢ়িব পাৰে। তুলনামূলক অধ্যয়নৰ ভিত্তিতে পৃথিৱীৰ সকলোবিলাক ভাষাৰে সামঞ্জস্য, অসামঞ্জস্য আদিৰ ভিন্ন আভাস পাব পাৰি। তুলনাত্মক ভাষা বিজ্ঞানৰ মূল উদ্দেশ্য হৈছে যিবিলাক ভাষাৰ আলোচনা কৰা হয় সিহঁত একে মূলৰ পৰা ওলোৱা বুলি প্ৰতিষ্ঠা কৰা। ইয়াত বৰ্তমান আৰু অতীতৰ অৱস্থাৰ আলোচনা কৰা হয়। ঐতিহাসিক ভাষা বিজ্ঞান এটাৰ্হি ভাষাৰ ওপৰতে সীমাবদ্ধ। কিন্তু তুলনাত্মক ভাষাবিজ্ঞানে দুটা বা ততোধিক ভাষাক সামৰি লয়। উদাহৰণস্বৰূপে, বিদেশী ভাষা এটা আয়ত্ত কৰিবলৈ যাওঁতেও তুলনাত্মক ভাষাবিজ্ঞানৰ প্ৰয়োজনীয়তাৰ কথা আহি পৰে। বিদেশী ভাষাৰ লগত মাতৃভাষাৰ তুলনা কৰাহয়,

Scanned by TapScanner

ভাষাৰ শব্দৰাজি, ধ্বনিৰ প্ৰয়োগ, বিভক্তি আদিৰ প্ৰয়োগ, বাক্য গঠনৰ প্ৰণালী আদিৰ লগত বিদেশী ভাষাবোৰ সেই দিশবোৰৰ তুলনামূলক আলোচনা কৰিহে সঠিক জ্ঞান আহৰণ কৰিব পাৰি।

সমাজ ভাষাবিজ্ঞান — ভাষাৰ জন্ম হয় সমাজ সংগঠনৰ ফলস্বৰূপে। সামাজিক পৰিবেশে ভাষা নিয়ন্ত্ৰণ কৰে। ব্যক্তিয়ে সমাজত ভাষা এটা শিকে আৰু সমাজত সেই ভাষাটোক ব্যৱহাৰ কৰে। কোনো এখন সমাজৰ বিষয়ে সেই ঠাইত ব্যৱহাৰ কৰা ভাষাৰ জৰিয়তে বহুত কথা জানিব পাৰি। এখন সমাজত বিভিন্ন জাতি-উপজাতি অনুসৰি নানা বৰ্ণৰ লোকে বসবাস কৰে। একে ভৌগোলিক পৰিৱেশত বসবাস কৰিলেও ভাষাগত আৰু একেটা ভাষাকে বিভিন্ন স্তৰৰ মানুহে বিভিন্ন ধৰণে ~~কোৱাত~~ উচ্চাৰণ কৰাত ভাষাটোৰ বিভিন্ন স্বকীয়া বৈশিষ্ট্য পোৱা যায়। সেইবোৰ ধ্বনি, ৰূপ ৰচনা, বাক্য ৰচনা, শব্দৰ ব্যৱহাৰ, প্ৰবাদ বচন; জতুৱা ঠাঁচ আদিৰ ক্ষেত্ৰত দেখা যায়।

সমাজ আৰু ভাষা হ'ল এটাৰ আনটো পৰিপূৰক। ভাষাৰ মাধ্যমেৰে কোনো এখন ঠাইৰ মানুহৰ আদৰ্শ, সংস্কাৰ, আন মানুহৰ প্ৰতি সেই ঠাইৰ মানুহৰ মনোভাৱ আদি বহু কথাৰ সম্ভেদ পোৱা যায়। ভাষাৰ মাধ্যমেৰে কোনো এখন ঠাইৰ সামাজিক আদৰ্শ প্ৰসংগত কেনে আছিল তাকো বুজিব পাৰি। ভাষাৰ শৃংখলাবদ্ধ অধ্যয়ন কৰোঁতে সমাজৰ বিভিন্ন লোকক অধ্যয়ন কৰা অতি প্ৰয়োজন। সমাজৰ বিভিন্ন সম্প্ৰদায়ৰ জাতি প্ৰথা নাজানিলে ভাষা অধ্যয়ন সম্পূৰ্ণ

Scanned by TapScanner

সমাজ ভাষাবিজ্ঞানৰ কাম হৈছে সমাজৰ বিভিন্ন ভাষাৰ অধ্যয়ন কৰি সেই বিষয়ে জ্ঞান আহৰণ কৰা। ভাষাৰ প্ৰয়োগ আৰু পৰিবৰ্তনৰ ধাৰাত সমাজৰ ভূমিকাক নিশ্চিত সামৰি লয়। গতিশীলতা ভাষাৰ ধৰ্ম, স্থিতিশীলতা ইয়াৰ বৈশিষ্ট্য নহয়; তথাপি ভাষা হ'ল চিৰন্তন আৰু অনন্ত। মানুহে প্ৰায়োগিক কাৰ্য্য আৰু জ্ঞানৰ ভৱিষ্যতে ভাষাৰ গতিশীলতা আৰু সমাজৰ স্থিতি নিৰ্ধাৰণ কৰে। ভাষাবিজ্ঞানৰ এটা প্ৰধান দিশ হ'ল সমাজ আৰু সমাজৰে এটি বিশেষ দিশ আগুৰি আছে ভাষাই, এই দুয়োৰে ক্ৰমবিকাশত দুয়োৰে অৱদান অপৰিসীম,

<u>ভেদাত্মক ভাষাবিজ্ঞান</u> := দুটা বা তাতকৈ অধিক সমগোত্ৰীয় বা বিষমগোত্ৰীয় ভাষাৰ মাজত বৰ্ণনাত্মক পদ্ধতিৰে বিশ্লেষণ কৰি সেইবোৰৰ মাজত থকা ভেদ বা পাৰ্থক্য দাঙি ধৰাকে ভেদাত্মক ভাষাবিজ্ঞান বুলি কোৱা হয়। ~~এনে ধৰণৰ আলোচনা বা তুলনাত~~ ভেদাত্মক ভাষাবিজ্ঞানত ভাষাৰ ঐতিহাসিক অধ্যয়নৰ কোনো প্ৰয়োজন নাথাকে। কাৰণ, দুটা সুকীয়া সুকীয়া ভাষাৰ ~~প্ৰবীণ~~ কিছুমান বৈশিষ্ট্য থাকে। সেই বৈশিষ্ট্যসমূহ আলোচনা কৰিবলৈ যাওঁতে প্ৰত্যেক ভাষাৰ ধ্বনিতত্ত্ব, শব্দতত্ত্ব, অৰ্থতত্ত্ব, বাক্যৰীতি আদি সকলোবোৰ দিশৰ পুংখানুপুংখ আলোচনা কৰিব লাগে। ভেদাত্মক ভাষাবিজ্ঞানত অৱশ্যে দুটাতকৈ অধিক ভাষাৰো আলোচনা কৰিব পৰা যায়।

Scanned by TapScanner

তুলনাত্মক ভাষাবিজ্ঞান আৰু ঐতিহাসিক ভাষাবিজ্ঞান একে যদিও দুয়োৰে মাজত পাৰ্থক্য আছে। তুলনাত্মক ভাষাবিজ্ঞানত কেৱল সমগোষ্ঠীয় ভাষাৰ মাজতহে আলোচনা কৰা হয়। ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে একে গোষ্ঠীৰ ভাষাৰ মূল নিৰ্ণয় কৰি দেখুওৱা বা একে মূলৰ পৰা উদ্ভৱ হ'লেও দুয়োটা ভাষাৰে মাজত থকা সাদৃশ্য বা আৰু বৈসাদৃশ্য সমূহ আলোচনা কৰা। আনহাতে, ঐতিহাসিক ভাষাবিজ্ঞানত দুটা বা ততোধিক ভাষাৰ সম্পূৰ্ণ পৃথক গোষ্ঠীয় ভাষাৰে তুলনা কৰা হয়। আকৌ তুলনাত্মক ভাষাবিজ্ঞানৰ ক্ষেত্ৰত লিখিত ভাষাই তথ্যৰ যোগান ধৰে, ঐতিহাসিক ভাষা কিন্তু কেৱল লিখিত ৰূপৰ ওপৰতেই নিৰ্ভৰশীল নহয়। কথিত ভাষাক আশ্ৰয় কৰিয়েও এই ভাষাবিজ্ঞান আগবাঢ়ি যায়।

মনস্তত্ত্ব ভাষাবিজ্ঞান — মনস্তাত্ত্বিক দৃষ্টিকোণৰ পৰা ভাষা বিশ্লেষণ কৰাকে মনস্তত্ত্ব ভাষাবিজ্ঞান বোলা হয়। সাধাৰণতে মানৱ আচৰণৰ বিজ্ঞানেই মনস্তত্ত্ব বিজ্ঞান বুলি কোৱা হয়, অৰ্থাৎ সকলো বিধৰ মানৱ আচৰণৰ অধ্যয়ন মনস্তত্ত্বৰ ভিতৰত পৰে। মনস্তত্ত্বৰ মূল অধ্যয়নৰ বিষয়বস্তু হ'ল— শিক্ষণ (learning), অনুৰক্তি (motivation), উপলব্ধি আৰু ব্যক্তিভেদে থকা দক্ষতাৰ ভেদ ইত্যাদি। এই আচৰণ সমূহৰ অধ্যয়ন কৰোঁতে আচৰণ বিশেষৰ প্ৰকৃতি আলোচনা কৰাতকৈ এই আচৰণ সমূহৰ অন্তৰালত থকা সাধাৰণ নিয়ম সমূহৰহে আলোচনা কৰা হয়।

ভাষাও মানুহৰ আচৰণৰ অংগবিশেষ। ই এক প্ৰকাৰৰ মৌলিক আচৰণ এই আচৰণ [illegible] ধৰা।

Scanned by TapScanner

পৰিচালিত হয়। গতিকে, ভাষাৰ অন্তৰালত থকা মনৰ গতিবিধি মনস্তাত্ত্বিক অধ্যয়নৰ বিষয়। চমু কথাত ক'বলৈ গ'লে মনস্তত্ত্ব বিজ্ঞানে মানৱ আচৰণৰ নানা দিশ অধ্যয়ন কৰে, তাৰে গুৰুত্বপূৰ্ণ এটা আচৰণ হ'ল ভাষা।

মনস্তত্ত্ব বিজ্ঞানে কোনো এটা বিশেষ ভাষাৰ অধ্যয়ন নকৰে। সাধাৰণ অৰ্থত ভাষা বুলিলে যি বুজোঁ সেই ভাষাৰ পিছফালে থকা মনৰ ক্ৰিয়াকলাপহে ইয়াৰ প্ৰধান আলোচ্য বিষয়। চমস্কি আদি ভাষাবিজ্ঞানীৰ ভাষাবিষয়ক সূত্ৰৰ ভিত্তি মনস্তত্ত্ব ভাষাবিজ্ঞান। এজন মানুহে কোনো এক সময়ত যি পৰিমাণৰ ভাষা কয় তেওঁ তাতকৈ বহু বেছি জানে, কোৱা ভাষাত বহু ভুল-ভ্ৰান্তি বিসংগতি থাকে। সেইবোৰ ভাষাৰ বাহ্যিক ৰূপ ক্ষণস্থায়ী। এই বাহ্যিক ৰূপ ক্ষণস্থায়ী ভুল-ভ্ৰান্তিৰ ঊৰ্দ্ধত থকা এটা সাধাৰণ আদৰ্শ 'ভাষা-প্ৰণালী' মনত বিৰাজ কৰে। সেই আদৰ্শ ভাষা প্ৰণালীৰ জ্ঞানৰ ভিত্তিতেই ভুল ভ্ৰান্তিৰ মাজতো মানুহ বিশুদ্ধভাৱে ভাষা বুজে। এই আদৰ্শ ভাষা প্ৰণালীৰ সম্পূৰ্ণৰূপে মনৰ বস্তু, ই ~~আসল~~ অমূৰ্ত। ইয়াৰ অধ্যয়নত প্ৰজ্ঞা বা অন্তৰ্জ্ঞা অনুভূতিৰ স্থান বিশেষভাৱে স্বীকৃত অৰ্থাৎ মনস্তাত্ত্বিক ভাষাবিজ্ঞান বস্তুধৰ্মী পৰ্য্যবেক্ষণৰ ঊৰ্দ্ধত, শিশুৰ মাতৃভাষা আহৰণ মনস্তাত্ত্বিক

ভাষাবিজ্ঞানের আন এটা প্রধান অর্ন্তগত বিষয়।

প্রায়োগিক ভাষাবিজ্ঞান = যেতিয়া ভাষাবিজ্ঞানীসে ভাষার গঠন প্রণালী সম্পর্কে আলোচনা করি আন ভাষার মানুহে শিকার ক্ষেত্রত ব্যৱহার করা হয় তাকে প্রায়োগিক ভাষাবিজ্ঞান বোলে। ভাষার শিক্ষণ আরু শিক্ষণের ক্ষেত্রত প্রয়োগ হোৱা আৱশ্যকীয় পদ্ধতি পাতি - ভাষাবিজ্ঞানর অন্তর্গত অংশে আভিহিত হৈছে। ভাষা হৈছে মানুহর মনর ভাবর প্রতিফলন, আরু ভাষা শিক্ষণ হৈছে প্রণালীবদ্ধ ভাবে ভাষা শিকোৱা। ভাষা শিক্ষণে ভাষার প্রায়োগিক বা ব্যৱহারিক দিশটো গুৰুত্ব লয়। ভাষাই ধ্বনি, রূপ, শব্দ, বাক্য আদির শৃংখলাবদ্ধ ধ্বনির প্রয়োগ দাবি করে। প্রায়োগিক ভাষাবিজ্ঞানে ভাষার ধ্বনিগত, রূপগতর বিজ্ঞানসন্মত আরু ব্যৱহারিক দিশর প্রতি দৃষ্টি নিক্ষেপ করে। ভাষা শিক্ষণ আরু ভাষাবিজ্ঞান দুটার মাজত কিছু পার্থক্য আছে। ভাষা শিক্ষণত শিশু ~~ভাষা~~ স্বাভাবিক ভাষার আহরণর পদ্ধতি থাকে। ভাষাবিজ্ঞানত থাকে ভাষার সকলো দিশর পুংখানুপুংখ আরু বিজ্ঞানসন্মত আলোচনা। প্রায়োগিক ভাষাবিজ্ঞানে ভাষা শিক্ষণত অবিহনা ~~যোগাব~~ যোগাব পারে। বর্তমান ভাষাবিজ্ঞানর ক্ষেত্রত প্রায়োগিক ভাষাবিজ্ঞানে বিশেষ গুৰুত্ব লাভ করিছে।

~~ভাষাবিজ্ঞান~~ ভাষাবিজ্ঞান — ভাষাবিজ্ঞানৰ এটি দিশ হৈছে ভূ-ভাষাবিজ্ঞান। পৃথিৱীৰ ভাষাসমূহৰ বৰ্গীকৰণৰ ক্ষেত্ৰত ভৌগোলিক বৰ্গীকৰণো উল্লেখযোগ্য। কেতিয়াবা উপভাষা অধ্যয়নৰ ক্ষেত্ৰত দেখা যায়, উপভাষাৰ বিভিন্ন বৈশিষ্ট্য, ভৌগোলিক পৰিসীমা আদিৰ বিস্তাৰিত বিৱৰণো থাকে। উপভাষা কেনেকৈ সংৰক্ষিত হয়, আন উপভাষাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে, অথবা নিজৰ বৈশিষ্ট্য হেৰুৱাই আন ভাষাৰ লগত সংমিশ্ৰণ ~~ক~~ হৈ নতুন ৰূপ লাভ কৰা আদিবোৰ দিশ সামৰি লয় ভাষা ভূগোল অৰ্থাৎ ভূ-~~ভাষাবিজ্ঞান~~ ভাষাবিজ্ঞানে। ভূ-ভাষাবিজ্ঞানৰ প্ৰধান কাম হ'ল উপভাষাবোৰৰ ভৌগোলিক পৰিসীমা নিৰ্ণয় কৰা, বৰ্ণনামূলক, ঐতিহাসিক আদি অধ্যয়নৰ দ্বাৰা ভাষা পৰিবৰ্তন বিকাশৰ ধাৰা নিৰ্ণয় কৰা।

Scanned by TapScanner